# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXIV** JULY 2023 **No. 01**

### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

**যিচয়া ৪৯ ঃ ১-৬**

১। হে দ্বীপবাসী, মোৰ বাক্য শুনা।; আৰু দূৰত থকা লোকসকল, মনোযোগ দিয়া; লোকসকল, মনোযোগ দিয়া। যিহোৱাই মোক জন্ম হোৱা দিনৰ পৰা, যেতিয়া মোৰ মাতৃয়ে মোক পৃথিৱীলৈ আনিলে তেতিয়াৰ পৰা মাতিলে।

২। তেওঁ মোৰ মুখ চোকা তৰোৱালৰ দৰে কৰিলে, তেওঁ নিজৰ হাতৰ ছাঁত মোক লুকুৱাই থ'লে; তেওঁ মোক শানত দিয়া কাঁড় কৰিলে, তেওঁ নিজৰ তূণৰ ভিতৰত মোক লুকুৱাই ৰাখিলে।

৩। তেওঁ মোক ক'লে, "ইস্ৰায়েল তুমি মোৰ দাস, যাৰ যোগেদি মই মোৰ গৌৰৱ দেখিবলৈ পাম।"

৪। যদিও মই ভাবো, মই মিছাকৈয়ে শ্ৰম কৰিলোঁ, মই অনৰ্থক ৰূপে মোৰ শক্তি নষ্ট কৰিলোঁ; তথাপিও মোৰ ন্যায় যিহোৱাৰ লগত আছে, আৰু মোৰ পুৰস্কাৰ ঈশ্বৰৰ সৈতে আছে।

৫। আৰু এতিয়া যিহোৱাই কৈছে, মই নিজৰ ওচৰলৈ যাকোবক পুনৰায় আনিবৰ বাবে আৰু ইস্ৰায়েলক তেওঁৰ ওচৰত গোট খুৱাবৰ অৰ্থে, তেওঁৰ দাস হ'বলৈ মোক জন্মৰ পৰাই গঠন কৰিলে, মই যিহোৱাৰ দৃষ্টিত মৰ্যদাৱান আৰু মোৰ ঈশ্বৰ মোৰ বলস্বৰূপ।

৬। তেওঁ কৈছে, যাকোবৰ ফৈদসকলক পুনঃস্থাপন কৰিবলৈ, আৰু ইস্ৰায়েলৰ জীৱিত লোকসকলক পুনৰায় স্থাপন কৰিবৰ অৰ্থে তুমি মোৰ দাস হোৱা অতি সৰু বিষয়। মই তোমাক ধৰ্মহীন লোকৰ আগত দ্বীপ্তিস্বৰূপ কৰিম। সেয়ে হয়তো পৃথিৱীৰ অন্তলৈকে তুমি মোৰ পৰিত্ৰাণৰ উপায় হ'বা।

# পছন্দসমূহ!

## CHOICES!



**ভনী, এঞ্জেলিন ছেলভাকুমাৰী**

আমাৰ দৈনন্দিন জীৱনবিলাক বহুত ধৰণৰ পছন্দৰে পৰিপূৰ্ণ হৈ আছে। প্ৰতিটো পছন্দৰ পৰিণাম আছে। কিছুমান তাৎপৰ্য্যপূৰ্ণ আৰু কিছুমান নহয়। কিছুমান বাছনিয়ে জীৱন পৰিৱৰ্তন কৰিব পাৰে, যেনে-জীৱন সঙ্গীৰ বাছনি আৰু পেশাগত পথ বাছি লোৱা আৰু ইত্যাদি। কি পিন্ধিম কি খাম ইত্যাদিৰ ক্ষেত্ৰত কিছুমান পৰিৱৰ্তনশীল আৰু কিছুমান অপৰিৱৰ্তনশীল। যেতিয়া ঈশ্বৰে মানৱ জাতিক সৃষ্টি কৰিলে, তেওঁ তেওঁলোকক স্বাধীন ইচ্ছা শক্তি দান কৰিলে। ভাল আৰু বেয়াৰ মাজত এটাক বাছি ল'বলৈ মানৱ জাতিৰ ইচ্ছা শক্তি আছে। তথাপি ঈশ্বৰে সদায় আমালৈ নিৰ্দেশিকা জাৰি কৰে, তেওঁৰ আশা ইচ্ছাক আমালৈ দিয়ে, কিন্তু তেওঁৰ ইচ্ছা কৰা বিষয়বস্তুক বাছি ল'বলৈ আমাক কেতিয়াও হেঁচা নিদিয়ে। ঈশ্বৰে আমাৰ বাবে কৰা পৰিকল্পনা সমূহক আমি আমাৰ স্ব-ইচ্ছাৰে গ্ৰহণ কৰাটো তেওঁ বিচাৰে।

আমাৰ বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰভু ঈশ্বৰে আমাক ইমানেই প্ৰেম কৰে যে আনকি তেওঁ আমাক তেওঁক প্ৰেম কৰিবলৈ আৰু তেওঁক জানিবলৈ স্বাধীন ইচ্ছা দিছে। আমাৰ সাৰ্বভৌম ঈশ্বৰে যিকোনো পৰিস্থিতিত তেওঁক আমি গ্ৰহণ কৰিবলৈ হেঁচা নিদিয়ে। তেওঁ সদায় মানৱজাতিৰ সৈতে সহভাগিতা ৰাখিব বিচাৰে, কিন্তু তেওঁ ইয়াৰ বাবে আমাৰ ওপৰত বল প্ৰয়োগ নকৰে; বৰং আমি তেওঁক আৰু অধিক জনালৈকে আৰু গ্ৰহণ কৰালৈকে তেওঁ শান্তভাৱে অপেক্ষা কৰে।

৩ পৃষ্ঠাত চাওঁক

ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৰা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

REACHING NATIONS





**...কিয়নো তেওঁ মোৰ পিতৃ দায়ুদক নিজ মুখেৰে কথা কৈছিল আৰু নিজ হাতেৰে এই বাক্য সিদ্ধও কৰিছিল...” - ১ ৰাজাৱলী ৮:১৫**

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

খ্ৰীষ্টত মোৰ প্ৰিয়সকল !

আমি আপোনালোকক আমাৰ ত্ৰাণকৰ্তা প্ৰভু যীচুখ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যোৱা মাহৰ আলোচনীখন পঢ়াৰ পাছত বহুত লোকে বাৰ্তাসমূহক ভাল পাইছে। আমি তেওঁলোকৰ প্ৰত্যেককে ধন্যবাদ জনাইছো। আমি ঈশ্বৰৰ সেই লোকবিলাকক আমাৰ বিনীত কৃতজ্ঞতা আগবঢ়াইছো। যিবিলাকে তেওবিলাকৰ হৃদয়ৰ গভীৰতাৰ পৰা আমাক প্ৰেম কৰে, আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহক তেওঁবিলাকৰ প্ৰাৰ্থনাৰে সমৰ্থন কৰে আৰু ভাল ভাল পৰামৰ্শ দিয়ে।

আমি আপোনালোকক ই-মেইল আই, ডি, পঠাবলৈ অনুৰোধ কৰিছিলো। যিবিলাকে তেওঁবিলাকৰ ই-মেইল আই, ডি, ইতিমধ্যে আমালৈ পঠাইছে, এতিয়াৰে পৰা আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীখন আপোনালোকৰ আই, ডি, নম্বৰতো পঠাম। তাৰোপৰি আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ১৬ টা ভাষাত থকা আলোচনীসমূহ পঠোৱাৰ লগে লগে আমাৰ ৱেবচাইট, www.echoofhiscall.org ত সেইবোৰক আপলোড কৰিম। আপুনি তাৰ পৰা লগে লগে পঢ়িব পাৰিব। আপুনি যদি বিচাৰে, আপুনি ইয়াক ডাউনলোড কৰি তাৰ পৰা কপি উলিয়াই পঢ়িব পাৰে। চিন্তা নকৰিব। এই সকলো পদ্ধতিৰ মাধ্যমেৰে আপুনি নিয়মীয়াকৈ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীখন নিশ্চয় গ্ৰহণ কৰিব পাৰিব। আন্তৰ্জাতিক যুৱ আৰু শিশুসকলৰ বাবে প্ৰতি নিশাই ১০ টা বজাত আমি যি প্ৰাৰ্থনা কৰি আছো তাক আমাৰ পঢুৱৈ সকলে ভালকৈ গ্ৰহণ কৰিছে আৰু আমিও সৰ্বশক্তিমান ঈশ্বৰৰ পৰা ভাল উত্তৰ পাই আছো। প্ৰভুৰ গৌৰৱ হওক।

আমি অতি দ্ৰুত গতিত আগবাঢ়ি গৈ আছো। যোৱা মে মাহত শিশুসকলৰ বাবে আমি ভেকেশ্বন বাইবেল স্কুলৰ (ভি, বি, এচ) ক্লাচসমূহৰ আয়োজন কৰিছিলো। যোৱা ৩ জুন ২০২৩ তাৰিখে আমাৰ নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভাখন আমি বিশেষভাৱে আয়োজন কৰিলো। নহিমিয়া বাইবেল কলেজৰ ২০২৩-২৪ শিক্ষাবৰ্ষৰ ক্লাচসমূহ আৰু ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰো ক্লাচসমূহ আৰম্ভ হৈছে। ক্লাচসমূহ ভালকৈ আৰু কাৰ্য্যকৰীভাৱে চলাই যাবলৈ প্ৰাৰ্থনা কৰক। অনুগ্ৰহ কৰি আমাৰ বাবেও প্ৰাৰ্থনা কৰক।

আমাৰ ইউ-টিউব চেনেলত প্ৰতিটো পুৱা ৫ টা বজাত ৫ মিনিটৰ বাবে ইংৰাজী, হিন্দী, তামিল আৰু তেলুগু ভাষাত বাৰ্তা প্ৰচাৰ কৰা হয়। অনুগ্ৰহ কৰি আপোনাৰ মোবাইল ফোনত আমাৰ ৯৮৪১০৭১৮৫৮ নম্বৰটো চেভ কৰি ৰাখক। ইয়াত আমাৰ পৰিচৰ্য্যাৰ যিকোনো খবৰ আপুনি সহজে গ্ৰহণ কৰিব পাৰিব। অনুগ্ৰহ কৰি আমাৰ ইখ অফ হীজ কল ইউ-টিউব চেনেলক চাবচক্ৰাইব কৰক।

‘সময়’ যিদৰে প্ৰযুক্তিৰ মাজেদি গৈ আছে, আমি ভাল পালেও নাপালেও, আমিও ইয়াৰ লগত দৌৰ মাৰি যাব লাগিব। যি প্ৰকাৰে হ'লেও প্ৰভুৰ শুভবাৰ্তা মানুহৰ ওচৰত পাবই লাগিব। ঈশ্বৰৰ মহিমা হওক। আমেন।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

CHIEF EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
Dr. Rabinder Boaz, M.S.
Bro. K. Puratchivendan
EDITORIAL BOARD
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Media Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

(প্ৰথম পৃষ্ঠাৰ পৰা)

বাইবেলে কয়, **ঈশ্বৰৰ ওচৰলৈ চাপি আহাঁ; তাতে তেৰোঁ তোমালোকৰ ওচৰলৈ চাপি গ'ল।** যাকোব ৪ঃ৮। ঠিক একে সময়তে, বাইবেলে আৰু কয় যে, **আমি তেওঁক মনোনীত কৰা নাই, যীচু খ্ৰীষ্টই আমাক মনোনীত কৰিছে-তোমালোকে যে মোক মনোনীত কৰিলা এনে নহয়...** যোহন ১৫ঃ১৬। আৰু তেওঁ আমাক প্ৰথমে মনোনীত কৰিলে...**আমি প্ৰেম কৰো, কাৰণ তেৱেঁই প্ৰথমে আমাক প্ৰেম কৰিলে,** ১ যোহন ৪ঃ১৯। ঈশ্বৰে কেতিয়াও তেওঁক মনোনীত কৰিবলৈ বা তেওঁক প্ৰেম কৰিবলৈ আমাক হেঁচা নিদিয়ে। তেওঁ আমাক সদায় স্বাধীন ইচ্ছা দিয়াৰ দ্বাৰাই এজন ভদ্ৰ ঈশ্বৰৰ ৰূপত ৰৈ আছে। সকলোলৈ সুবিধা দিয়া হৈছে, কেৱল কিছুমান লোকেহে এই সুবিধাক গ্ৰহণ কৰিছে আৰু ইয়াক ব্যৱহাৰ কৰিছে।

কিছু বিশিষ্ট বাইবেলৰ চৰিত্ৰৰ দ্বাৰাই তৈয়াৰ হোৱা মনোনীত বিলাকৰ ওপৰত আহক ধ্যান দিওঁহক।

## দুটা চোৰ !

সেই দুজন চোৰৰ বিষয়ে উদাহৰণ ল'ব বিচাৰিছো যি যীচুখ্ৰীষ্টৰ দুয়োফালে ক্ৰুচত ওলমি আছিল, এজনে ক'লে,... **হে যীচু, "আপুনি আপোনাৰ ৰাজ্যলৈ আহিলে, মোকো সুঁৱৰিব"** লূক ২৩ঃ৪২ পদ। যীচু খ্ৰীষ্টই উত্তৰ দি ক'লে...**"তুমি আজিয়েই পৰম দেশত মোৰ সঙ্গী হ'বা।"** লূক ২৩ঃ৪৩; য'ত আনজনে আনকি তেওঁৰ জীৱনৰ শেষ মুহূৰ্ততো যীচুখ্ৰষ্টক উপহাস কৰিবলৈ সিদ্ধান্ত ল'লে। যেতিয়া এজন চোৰে পাপ স্বীকাৰ কৰিলে আৰু প্ৰভুক সুঁৱৰিব ক'লে, আনজনে কিন্তু সুবিধাটো হেৰুৱাই দিলে আৰু যীচুখ্ৰীষ্টক অভিযোগ কৰি দোষ ধৰাত লাগি গ'ল। ইয়াতে আমি দেখো যে দুয়োজনে নিজ ইচ্ছাৰে বেলেগ বেলেগ পথ বাছি ল'লে। দুয়োজনকে কোনেও হেঁচা দিয়া নাছিল, কিন্তু এইটোৱেই জীৱন পৰিৱৰ্তন মনোনীত মুহূৰ্তত পৰিৱৰ্তন হ'ল, কেৱল সেই চোৰজনে যিজনে স্মৰণীয় হৈ থাকিব বিচাৰিছিল এনে নহয়, কিন্তু আমাৰ সকলোৰে বাবে আছিল। সেই গতিকে এই বিষয়ে আমি ২০২৩ত কথা পাতি আছো।



## এশৰ সেনাপতি !

খ্ৰীষ্টৰ ক্ৰুচবিদ্ধকৰণৰ দিনত অনেক এশৰ সেনাপতিবিলাকে তেওঁবিলাকৰ কৰ্তব্যত আছিল, ঈশ্বৰৰ মেৰ পোৱালিৰ জঘন্য মৃত্যুৰ সাক্ষী হৈ আছিল। তেওঁবিলাকে দেখিবলৈ পাইছিল যে তেওঁ বেলেগ আছিল, কিন্তু তেওঁক স্বীকাৰ কৰিবলৈ বা গ্ৰহণ কৰিবলৈ, এজন মানুহৰ বাহিৰে আনবিলাকে ইচ্ছা কৰা নাছিল। যেতিয়া যীচুক কালবাৰী ক্ৰুচত গজাল মাৰি আঁৰি দিয়া হৈছিল, এজন এশৰ সেনাপতি তেওঁৰ কাষত ৰৈ আছিল, তেওঁ ক'লে, ... **এওঁ স্বৰূপেই ঈশ্বৰৰ পুত্ৰ,** মথি ২৭ঃ৫৪। তেওঁ মুকলিভাৱে খ্ৰীষ্ট কোন হয় তাক স্বীকাৰ কৰিলে। এনে মন্তব্য কৰোতে বহুত সাহস হ'ব লাগিব। আনকি আজিও আমাৰ ভাই আৰু ভনীসকলে তেওঁলোকৰ বিশ্বাসৰ বাবে অপমানিত হৈছে, কাৰাগাৰত বন্দী হৈছে, নগ্ন কৰি দিয়া হৈছে, নিজৰ মানুহৰ দ্বাৰাই লজ্জিত কৰা হৈছে, জুইৰে জ্বলাই দিয়া হৈছে, বয়োজ্যেষ্ঠবিলাকে নিৰ্যাতন কৰিছে আৰু ইত্যাদি হৈছে। কিন্তু এইবোৰৰ দ্বাৰাই তেওঁলোকে বিশ্বাসৰ পৰীক্ষাক সহ্য কৰি আছে। **খ্ৰীষ্টৰ প্ৰেমৰ পৰা কোনে আমাক বিচ্ছিন্ন কৰিব পাৰে? ক্লেশ বা সঙ্কট, তাড়না বা আকাল বস্ত্ৰহীনতা বা প্ৰাণ-সংশয়, বা তৰোৱাল, এইবোৰে পাৰে নে?** ৰোমীয়া ৮ঃ৩৫ (এ, আই, ভি)। পৌলক কোনেও এইদৰে কৰিবলৈ হেঁচা দিয়া নাছিল, কিন্তু এইদৰে কৰিবলৈ তেওঁ নিজ ইচ্ছাৰে বাছি লৈছিল।

## পীলাত !

পীলাত এজন আন মানুহ যাৰ জীৱন পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত যীচুৰ বাবে লোৱাত মহান ক্ষমতা আছিল, কিন্তু তেওঁ মানুহৰ পক্ষত হ'বলৈ, ভাল সুনাম পাবলৈ আৰু যিহুদাৰ পুস্তকত স্থান পাবলৈ, তেওঁ যি কৰিব লাগিছিল তাক তেওঁ কৰাত ব্যৰ্থ হৈছিল। বাইবেলে কয়, **তোমাৰ উপকাৰ কৰিবৰ সমৰ্থ থাকিলে, উপকাৰ কৰিবলগীয়াক উপকাৰ নকৰাকৈ নাথাকিবা** (হিতোপদেশ ৩ঃ২৭) **এই হেতুকে আহাঁ, শুভক্ষণ পালে, সকলোলৈ, বিশেষকৈ পৰিয়ালস্বৰূপ বিশ্বাস কৰা বিলাকলৈ হিতজনক কৰ্ম কৰোঁহক** (গালাতীয়া ৬ঃ১০)। ইয়াত পুনৰ এটা সিদ্ধান্ত আমালৈ দিয়া হৈছে, বাইবেলে আমাক হিতজনক কৰ্ম কৰিবলৈ এটা বিবেচিত সিদ্ধান্ত ল'বলৈ আজ্ঞা দিয়ে। এটা ইচ্ছামতে সিদ্ধান্ত ল'বলৈ কৈছে।

যদি ঈশ্বৰে আপোনাক এনে এটা পদ বা স্থানত ৰাখিছে য'ত আপুনি ভগ্ন লোকক, দৰিদ্ৰ, সহায়হীন, শক্তিহীন, গৃহহীন, আনকি শাৰীৰিক আৰু মানসিকভাৱে প্ৰতিদ্বন্দ্বিত হৈ আছে তেওঁলোকক সহায় কৰিবলৈ সিদ্ধান্ত লওক। সঠিক কাৰণৰ বাবে যুদ্ধ কৰিবলৈ আমাক বীৰ পূৰুষসকলৰ প্ৰয়োজন আছে। মাদাৰ টেৰেছা, তেওঁ এগৰাকী আচৰিত মহিলা আছিল যিগৰাকীয়ে দুৰ্বল আৰু ৰুগীয়ালোকক সহায় কৰিবলৈ গোটেই জীৱনটোক ত্যাগ কৰি দিছিল। এমী কাৰমাইকেল এগৰাকী বীৰ মহিলা আছিল যিগৰাকীয়ে বিশেষকৈ যুৱতীসকলৰ অধিকাৰৰ বাবে যুদ্ধ কৰিছিল। সমাজৰ দুৰ্বল শ্ৰেণীৰ সহায়ৰ বাবে তেওঁলোকে যিহকে পাৰিছিল তাকে কৰিছিল। কিন্তু আনফালে এইটো বৰ দুখ লগা কিয় যে মানুহবিলাকে ইমানেই আত্মকেন্দ্ৰিক যে তেওঁবিলাকে তেওঁবিলাকৰ সহভাই আৰু ভনীসকলৰ বাবে অকনো সময় নাই। আনকি যিয়ে নিৰাশ কৰে সেইটো আমি আমাৰ মণ্ডলীসমূহতো দেখি পাওঁ। প্ৰভু ঈশ্বৰে ইয়াক পৰিৱৰ্তন কৰিবলৈ আমাক অনুগ্ৰহ দান কৰক আৰু আহক আমি পৰিৱৰ্তন হওঁহক।

পীলাতে জানিছিল যে যীচুখ্ৰীষ্ট নিৰ্দোষী আছিল, গতিকে তেওঁ যীচুক মুক্তি দিব পাৰিলেহেঁতেন। মই ভাবো তেওঁ নিশ্চয় যীচুক



মুক্তি দিব বিচাৰিছিল। যি কি নহওক, তেওঁ এনে কাৰ্য্য মুকলিকৈ কৰিব বিচৰা নাছিল। পীলাতে অতি কৌশলেৰে ইয়াৰ সিদ্ধান্তক মানুহবিলাকে ল'বলৈ পৰিকল্পনা কৰিলে, গতিকে তেওঁ যীচুখ্ৰীষ্টক মুক্ত কৰি দিয়াৰ আশা কৰি বাৰাব্বাক নে যীচুক মুকলি কৰিব লাগে, বিষয়টো মানুহবিলাকক সিদ্ধান্ত ল'বলৈ ক'লে। কিন্তু হায়। হায়, তেওঁবিলাকে বাৰাব্বাক মুকলি কৰিবলৈ ক'লে। পুনৰ পীলাতে এটা ভাল সুযোগ হেৰুৱালে কিন্তু যিহুদাবিলাকে এটা বেয়া উদ্দেশ্যৰ বাবে সুযোগটোক ব্যৱহাৰ কৰিলে।। আমাৰ কিমানজনে সুযোগবিলাকক হেৰুৱাই দিছে, কিয়নো যেতিয়া আমি সিদ্ধান্ত ল'ব লাগিছিল, কিন্তু আমি নল'লো। কিন্তু অনুগ্ৰহ পূৰ্বক, আমাৰ এটা দ্বিতীয় সুযোগৰ ঈশ্বৰ আছে। যেতিয়া আমি এটা সুযোগ হেৰুৱাই দিওঁ, ঈশ্বৰে সদায় আন এটা স্বৰ্গীয় পৰিকল্পনাৰ সৈতে আমালৈ আহে। এইটোৰেই ঈশ্বৰৰ প্ৰেম হ'ব পাৰে আপুনি বহি বহি ভাবিব পাৰে, মই এই কাৰ্য্যটো কৰিব লাগিছিল বা সেই কাৰ্য্যটো কৰিব লাগিছিল, মই যি কোনো কাৰ্য্য কৰিব পাৰিলোহেঁতেন কিন্তু মোৰ বয়স গুছি গ'ল, মোৰ শক্তি নাইকিয়া হৈ গ'ল, বছৰবোৰ এনেয়ে অতিবাহিত হৈ গ'ল।

প্ৰিয় ভাই আৰু ভনীসকল, যদি আপোনালোকে ভাবে যে আপোনালোকে সময়বোৰ নষ্ট কৰি দিলে আৰু যিবোৰ কাৰ্য্য কৰিবলৈ আছিল পলম হৈ গ'ল, ঈশ্বৰৰ ৰাজ্যত এইটো কেতিয়াও পলম নহয়। ঈশ্বৰৰ সময় সদায় সিদ্ধ হৈ থাকে। মোচিৰ বয়স যেতিয়া ৪০ বছৰ হৈছিল ঈশ্বৰে তেওঁক ব্যৱহাৰ কৰিবলৈ বিচৰা নাছিল, কিন্তু তেওঁক ৮০ বছৰ বয়স হওঁতে ঈশ্বৰে ব্যৱহাৰ কৰিব বিচাৰিলে। কালেবো তেওঁৰ ৮০ বছৰ বয়সত যুদ্ধ কৰিবলৈ শক্তি পালে আৰু দেশ অধিকাৰ কৰিলে। তোমাৰ নষ্ট হোৱা বছৰবোৰক যীচু খ্ৰীষ্টলৈ দি দিয়া আৰু তেওঁ সেইবোৰক ধুনীয়া কৰি দিব। মোলৈ এটি পুৰণি গীত মনত পৰিছে ঃ

"সেই সকলোবোৰক যীচুখ্ৰীষ্টলৈ দি দিয়া। ছিন্নভিন্ন স্বপ্নবোৰ, আঘাতপ্ৰাপ্ত হৃদয়বোৰ, ভঙা পুতলাবোৰ। সেই সকলোবোৰ যীচুখ্ৰীষ্টলৈ দি দিয়া। কিয়নো তেওঁ তোমাৰ দুখ-বেজাৰবোৰক আনন্দত পৰিণত কৰি দিব"। আহক আমি সেই সকলোবোৰক যীচুলৈ দিবলৈ শিকোহঁক।"

## পিতৰ !

যীচুখ্ৰীষ্টৰ প্ৰথম শিষ্যবিলাকৰ মাজত পিতৰো এজন শিষ্য আছিল। যীচু খ্ৰীষ্টৰ শিষ্যসকলৰ আভ্যন্তৰীণ বৃত্ত যি তিনিজনে গঠন কৰিছিল তেওঁলোকৰ মাজত পিতৰো আছিল। যীচুখ্ৰীষ্টৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়তো পিতৰ তেওঁৰ লগত আছিল আৰু আনকি পৰ্বতত যীচুৰে অন্য ৰূপ ধৰাৰ সময়তো তেওঁ লগত আছিল।

মই পিতৰৰ চৰিত্ৰক ভালপাওঁ। এজন মানুহ, যাৰ প্ৰচুৰ আৱেগ আৰু আগ্ৰহ আছিল। তেওঁ সেই পৰ্বতত যীচুখ্ৰীষ্টৰ বাবে এটা পঁজা, এটা মোচিৰ বাবে আৰু এটা এলিয়াৰ বাবে পঁজা সাজিবলৈ বিচাৰিছিল। যেতিয়া যীচু খ্ৰীষ্টই তেওঁৰ জঘন্য মৃত্যুৰ বিষয়ে কৈছিল তেতিয়া পিতৰে প্ৰথমে আৱেগিক হৈ কৈছিল, **"হে প্ৰভু, আপোনাৰ সৈতে বন্দীশাল আৰু মৰণলৈকো যাবৰ বাবে মই যুগুত হৈ আছো** (লূক ২২ঃ৩৩) তেওঁ এজন অতিৰিক্ত সুৰক্ষামূলক আৰু এজন খঙিয়াল লোক আছিল। যেতিয়া সৈন্যবিলাকে যীচু খ্ৰীষ্টক গ্ৰেপ্তাৰ কৰিবলৈ আহিছিল, তেতিয়া তেওঁৰ খং উঠিছিল আৰু সৈনিকজনৰ কান-কাটি পেলাইছিল। প্ৰত্যেক ক্ষেত্ৰতে পিতৰ এগৰাকী অতি আৱেগিক ব্যক্তি আছিল যে আমি সকলোৰে সম্পৰ্ক কৰিব পাৰিম। যিকোনো পৰিস্থিতিত তেওঁ প্ৰথম হ'ব বিচাৰিছিল আৰু সদায় সক্ৰিয় হৈ আছিল।

পিতৰ এজন ব্যক্তিকেন্দ্ৰিক মানুহ হোৱাটো বিচাৰিছিল। তেওঁ নিশ্চয় তেওঁৰ ভাতৃ আন্দ্ৰিয়ৰ লগত গভীৰ সম্পৰ্ক ৰাখিছিল। সেই গতিকে যেতিয়া আন্দ্ৰিয়ই তেওঁক যীচুখ্ৰীষ্টক লগ কৰিবলৈ মাতিছিল, তেওঁ বাধ্য হৈছিল। মই নিশ্চিত যে তেওঁলোক একে পিতৃ-মাতৃৰ সন্তানৰ অধিকাৰৰ ভাগ পোৱাৰ প্ৰতিদ্বন্দ্বিতা আছিল। আমি বাইবেলতো পিতৰৰ শাহুৰ বিষয়ে পঢ়িবলৈ পাওঁ, তাকে দেখুৱাইছে যে পিতৰ এজন ঘনিষ্ট পৰিয়ালৰ মানুহ

৬ পৃষ্ঠাত চাওঁক


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।
माध्यमः हिन्दी
सदस्यता के लिए पंजीकृत उम्मीदवार - ATA
सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान
Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years
योग्यता 10 वी या अधिक
जल्दी करें!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ  ২০২৩ চনৰ ১৯ জুলাই  পৰা ২০২৩ চনৰ ১৮ আগষ্ট**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

জুলাই ১৯ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ, নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো কাৰ্য্যকলাপৰ বাবে।

জুলাই ২০ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

জুলাই ২১ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ পাঠ্যক্ৰমৰ বাবে অনুগ্ৰহেৰে নতুন ছাত্ৰ-ছাত্ৰী পোৱাত সহায় কৰাৰ বাবে।

জুলাই ২২ ঃ মিশ্বন কৰ্মীসকলৰ পৰা মহান অঙ্গীকাৰৰ বাবে।

জুলাই ২৩ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়াবৰ্গলৈ তেওঁৰ দয়াৰ বাবে।

জুলাই ২৪ ঃ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকৰ পালক আৰু জ্যেষ্ঠ সদস্য আৰু সদস্যাসকলৰ বাবে।

জুলাই ২৫ ঃ আমাৰ শুভবাৰ্তা ছপাশাল আৰু কৰ্মদক্ষ কৰ্মীসকলৰ সৈতে একেৰাহে চলি থাকিবৰ বাবে।

জুলাই ২৬ ঃ ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্য্যালৈ আমাৰ অঙ্গীকাৰৰ ওপৰত তেওঁৰ প্ৰচুৰ আশীৰ্বাদৰ বাবে।

জুলাই ২৭ ঃ আৰু অধিক নতুন বিশ্বাসীসকলৰ সৈতে আমাৰ কেন্দ্ৰ মণ্ডলীক আশীৰ্বাদ কৰাৰ বাবে।

জুলাই ২৮ ঃ বালাজী নগৰত, চান্তচাপুৰামত আৰু ভেলাচেৰিত আমাৰ দেওবৰীয়া উপাসনাত নতুন বিশ্বাসীসকলৰ বাবে।

জুলাই ২৯ ঃ নহিমিয়া বাইবেল কলেজৰ আৰু ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ বাবে নামভৰ্তিত আশীৰ্বাদৰ বাবে।

জুলাই ৩০ ঃ যুৱ আৰু শিশুসেৱা পৰিচৰ্য্যাৰ বাবে আমাৰ বিশ্ব দৰ্শনৰ ওপৰত আশীৰ্বাদৰ বাবে।

জুলাই ৩১ ঃ শুভবাৰ্তা নোপোৱা ঠাইত শুভবাৰ্তা বিলাবলৈ আমাৰ ইউ টিউব পৰিচৰ্য্যাৰ ৫ মিনিট বাৰ্তাত আশীৰ্বাদৰ বাবে।

আগষ্ট ০১ ঃ শুভবাৰ্তা নেপোৱা ঠাইত শুভবাৰ্তা বিলোৱাত আশীৰ্বাদ পোৱাৰ বাবে।

আগষ্ট ০২ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত আৰু অধিক শিক্ষক-শিক্ষয়িত্ৰী আৰু অধ্যক্ষ পোৱাত আশীৰ্বাদৰ বাবে।

আগষ্ট ০৩ ঃ আমাৰ মণ্ডলীসমূহত পালক আৰু ডিকনসকলৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

আগষ্ট ০৪ ঃ মানুহৰ ওপৰত পুনৰ এবাৰ ঈশ্বৰৰ অনুগ্ৰহ বৰষাবৰ বাবে।

আগষ্ট ০৫ ঃ গ্ৰীষ্মকালীন বাইবেল স্কুলত (ভি, বি, এচ) ঈশ্বৰত লাগি থাকিবলৈ আৰু আমাৰ মণ্ডলীত নিয়মীয়াকৈ যোগদান কৰিবলৈ শ শ শিশুবিলাকে যীচুখ্ৰীষ্টৰ প্ৰেমৰ দ্বাৰাই স্পৰ্শ পাইছে।

আগষ্ট ০৬ ঃ মিশ্বনেৰীসকলৰ বিৰুদ্ধে আৰু ঈশ্বৰৰ দাসসকলৰ বিৰুদ্ধে হোৱা হিংসাৰ বাবে।

আগষ্ট ০৭ ঃ পৃথিৱীৰ পৰা কৰণা জ্বৰ গুচাই দিবৰ বাবে।

আগষ্ট ০৮ ঃ পৰিয়ালৰ মাজত পৃথকীকৰণ কৰা চয়তানৰ কৰ্মক ধ্বংস কৰিবলৈ।

আগষ্ট ০৯ ঃ ঈশ্বৰৰ সন্তানবিলাকৰ আত্মিক আৰু জাগতিক আশীৰ্বাদৰ বাবে।

আগষ্ট ১০ ঃ ২০২৩-২০২৪ শিক্ষাবৰ্ষত ছেইণ্ট পৌলচ্ স্কুলৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে।

আগষ্ট ১১ ঃ পৃথিৱীত আৰ্থিক মন্দাৱস্থা বিৰাজ কৰিছে, তাৰ অন্ত হ'ব লাগে।

আগষ্ট ১২ ঃ আমাৰ পৰিৰ্চয্যাৰ বাবে আৰ্থিক সহায় পাব লাগে।

আগষ্ট ১৩ ঃ পৃথিৱীৰ সকলো মানুহৰ প্ৰয়োজনৰ বাবে।

আগষ্ট ১৪ ঃ আমাৰ বঙালী ডি, টি, পি, অপাৰেটৰ ভাই ইন্দ্ৰজিত ৰয়ৰ আৰোগ্যৰ বাবে।

আগষ্ট ১৫ ঃ আমাৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সু-স্বাস্থ্যৰ বাবে।

আগষ্ট ১৬ ঃ প্ৰতি পুৱাবেলা ৫.০০ টা বজাত ৫ মিনিটৰ বাবে ইউ টিউব চেনেলত মেডিয়া পৰিচৰ্য্যা টেলিকাচটিংৰ বাবে।

আগষ্ট ১৭ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা নিৰাপত্তাৰ বাবে।

আগষ্ট ১৮ ঃ নহিমিয়া বাইবেল কলেজৰ পুথিভৰালৰ পুস্তক সমূহ **কহা** চফটৱেৰত আপডেটিংৰ বাবে।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

আছিল। পিতৰ এজন উদ্দেশ্য-চালিত মানুহ আছিল। যীচুখ্ৰীষ্ট কোন হয় তেওঁ জানিছিল, যীচুখ্ৰীষ্ট যে আহিবলগীয়া মছিহা আছিল, তাক তেওঁ চিনি পাইছিল। পাছত তেওঁৰ পৰিচৰ্য্যাতো আমি তেওঁৰ লক্ষণ বিলাকত এই ধাৰণাবিলাক দেখি পাওঁ।

কিদৰে এই উৎসৰ্গীত, প্ৰেমময়, গভীৰ প্ৰনয়ৰ লোক, মানুহক ভালপোৱা ব্যক্তিজনে, যিজনে যীচুখ্ৰীষ্টক ইমান উচ্চ সন্মান দিছিল অকস্মাতে যীচুখ্ৰীষ্টক অস্বীকাৰ কৰিছিল? এবাৰ নহয় কিন্তু তিনিবাৰ, তাকো প্ৰভুৱে তেওঁক সৰ্তক কৰাৰ পাছত। তেওঁ কেৱল বিশ্বাসঘাত কৰিছিল এনে নহয়, তেওঁ অভিশাপো দিবলৈ আৰম্ভ কৰিছিল। যেতিয়া আমি এই বিষয়ে পঢ়ো, আমি পিতৰক তেওঁৰ ভয়ঙ্কৰ স্বভাৱৰ বাবে হয়তো তেওঁক বিচাৰ কৰিব পাৰো বা নিন্দা কৰিব পাৰো। কিন্তু আমি নিজৰ বিষয়ে ভাবি চাওঁহক কিমানবাৰ আমি খ্ৰীষ্টৰ উৎসৰ্গীত, অঙ্গীকৃত বিশ্বাসী হয়ো আমাৰ কৰ্ম, বাক্য আৰু ভাৱচিন্তাৰ দ্বাৰাই যীচু খ্ৰীষ্টক বিশ্বাসঘাত কৰি থাকো। মানুহে এইদৰে কথা কোৱা মই শুনিছো, "মই পিছল খালো, এটা মুহূৰ্তৰ অনুপ্ৰেৰণাৰ মাজত আছিলো।" কিমানে ভাবে যে পিতৰে যি কৰিলে সেইটো 'এটা মুহূৰ্তৰ অনুপ্ৰেৰণাৰ মাজত' কৰিলে। প্ৰভুৰ এইজন মহান শিষ্যৰ ভুলটোক এটা সমালোচনা কৰা বুলি ধৰি ল'ব নালাগে, তাৰ বিপৰীতে আমি সকলোৱে তেওঁৰ জীৱনৰ পৰা শিক্ষা লোৱাটোক মই বিচাৰো।

কেৱল সেই সময়তহে এইদৰে ঘটিছিল বুলি আপুনি ভাবেনে, বা সেইটো এটা প্ৰক্ৰিয়া হয়নে?

মই বিশ্বাস কৰো যে এজন সমৰ্পিত প্ৰেমময়, গভীৰ প্ৰনয়ৰ লোক আৰু উদ্দেশ্য চালিত মানুহৰ বাবে যীচুখ্ৰীষ্টক বিশ্বাসঘাত কৰাটো সহজ কথা নহয়। আপুনি কি ভাবে এইটো কেতিয়া আৰম্ভ হৈছিল? মথি ২৬ঃ৫৮ পদৰ মতে যেতিয়া পিতৰ যীচুখ্ৰীষ্টৰ লগত আছিল, তেওঁ যীচুৰ আঁতৰে আঁতৰে আছিল।

বাইবেলে ধুনীয়াকৈ কয় যে, পিতৰে যীচুখ্ৰীষ্টৰ আঁতৰে আঁতৰে গৈ থাকিছিল। বহুতে যীচুখ্ৰীষ্টৰ প্ৰেমক উপভোগ কৰে আৰু তেওঁৰ আশীৰ্বাদক উপভোগ কৰে। এইটো মহান কথা যে আমি তেওঁক যোগাঁওতা আৰু ৰক্ষা কৰোতা বুলি জানো কিন্তু আমি তেওঁক ঘনিষ্ঠভাৱে অনুসৰণ কৰিবলৈ অনিচ্ছা কৰো আৰু 'আঁতৰত' থাকি তেওঁক অনুসৰণ কৰি আমি ভাল পাওঁ। আমি যেতিয়া আঁতৰত থাকি তেওঁক অনুসৰণ কৰো, আমাৰ কিছুমানে নিৰাপদ অনুভৱ কৰে কিয়নো তেওঁ আমাৰ পৰা অধিক দাবী নকৰিব। মানুহবিলাকে আমাক যীচুখ্ৰীষ্টৰ উৎসাহী অনুগামী বুলি নাজানিব আৰু আমি ঈশ্বৰ আৰু পৃথিৱী দুয়োটাৰ সোৱাদ ল'ম। এটি বহুত আৰ্কষণীয় মীমাংসা।

প্ৰিয় বন্ধুসকল, বাইবেলে আমাক শিকায় যে আমি একে সময়ত জগত আৰু ঈশ্বৰৰ বন্ধু হ'ব নোৱাৰো। যাকোব ৪ঃ৪ - **হে ব্যভিচাৰীসকল! জগতৰ সৈতে ৰখা মিত্ৰতাই ঈশ্বৰৰ শত্ৰুতা, ইয়াক তোমালোক নাজানা নে?** কোনো মাজ পথ নাই। এইটো জগতৰ পক্ষত হ'ব বা ঈশ্বৰৰ পক্ষত হ'ব। যদি আমি ঈশ্বৰৰ পক্ষত নাই তেন্তে আমি ইতিমধ্যে গতানুগতিকভাৱে ঈশ্বৰৰ শত্ৰু হৈ গ'লো। গতিকে, এজন মানুহ যিমানেই আত্মিক আৰু ধাৰ্মিক হ'ব পাৰে, যদি এজন মানুহে আঁতৰত থাকি যীচুখ্ৰীষ্টক অনুসৰণ কৰিবলৈ সিদ্ধান্ত লয়, এইটো এটা বিপদজনক ঠাই হ'ব।

আজি খ্ৰীষ্টৰ সৈতে আপুনি কিদৰে চলি আছে। আপুনি যীচুখ্ৰীষ্টৰ লগত আতৰত থাকি চলি আছেনে বা ঘনিষ্ঠ হৈ চলি আছে? আগতে উল্লেখ কৰাৰ দৰে, যীচুখ্ৰীষ্টই আমাক ইমানেই প্ৰেম কৰে যে তেওঁ আমাক কেতিয়াও কিবা এটা কৰিবলৈ হেঁচা নিদিয়ে, কিন্তু তেওঁ আমাক স্বাধীন ইচ্ছা দিছে। যি কি নহওক, তেওঁ আমালৈ ইয়াকো প্ৰকাশ কৰিছে যে **যদি তোমালোক মোত থাকা আৰু মোৰ শিক্ষাও যদি তোমালোকত থাকে, তেনেহ'লে, যি ইচ্ছা কৰা, তাকে খোজা, সেয়াই তোমালোকলৈ কৰা হ'ব** (যোহন ১৫ঃ৭)। ঈশ্বৰৰ লগত ঘনিষ্ঠ হৈ চলাৰ গুৰুত্বতাক শিকায়।

প্ৰিয়, বন্ধুসকল, যি পৃথিৱীত আমি বসবাস কৰো এই ঠাইখন অতি জটিল। আমাৰ কাৰ্য্যক ফাঁকি দিবলৈ, আমাৰ পৰিয়াল আৰু ব্যক্তিগত জীৱন নিজেই এটা প্ৰত্যাহ্বান হয়। কেতিয়াবা আমি আমাৰ জীৱনত নিৰাশ, আঘাত, বিশ্বাসঘাত, বিচ্ছেদ, মৃত্যু, পিঠিত ছুৰিকাঘাতৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ'লে আমাৰ মানসিক ক্লান্তি হ'ব পাৰে। মই নাজানো আপোনালোকৰ কিমানে এই একে ধৰণৰ পৰিস্থিতিত আছে; হয়তো আপুনি কয় আছে "মই আজি মোৰ জীৱনটোক এটি পৰিণতিৰ দৰে চলাই আছো আৰু ইয়াৰ সিদ্ধান্তটোক আন কোনোবাইহে লৈছিল, মোৰ জীৱনটো এইদৰে হ'ব নালাগিছিল।" গতিকে যিহুদা বা যীচুখ্ৰীষ্টৰ আতৰে আতৰে চলা পিতৰৰ দৰে, আপোনাৰ পৰিস্থিতিয়ে আপোনাক যীচুখ্ৰীষ্টক অনুসৰণ কৰাৰ পৰা দূৰৈত ৰাখিছে। কিন্তু কথাটো হৈছে, দুয়োটাই বিপদজনক।

পিতৰে যীচুখ্ৰীষ্টক অস্বীকাৰ কৰা ঘটনাটো অকস্মাতে হোৱা নাছিল, এইটো এটা ধীৰ প্ৰক্ৰিয়া আছিল। যীচুখ্ৰীষ্টক গ্ৰেপ্তাৰ কৰাৰ লগে ভয়ে সকলোকে গ্ৰাস কৰিলে, কিয়নো ভৱিষ্যতে কি হ'ব। একে সময়তে পিতৰে জানিব বিচাৰিছিল

৮ পৃষ্ঠাত চাওঁক

**The Lord has done great things for us, whereof we are glad — Psalm 126:3.**

# ECHO OF HIS CALL
## Ministries

# 55th ANNIVERSARY
**(1969 - 2023)**

**Place:**
**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET,
CHEPAUK, CHENNAI - 600 005, INDIA.

**Special Progammes on**
**11.08.2023, Friday**
**12.08.2023, Saturday**
**13.08.2023, Sunday**

**Special message :**

## Pastor ANGELINE SELVAKUMARI

**Please Pray!**

Contact: Pastor S. Sam Selva Raj, (+91) 98410 71852

## অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘন্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰ।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইন্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।

| | | |
|---|---|---|
| ১২। দেওবৰীয়া স্কুল | ঃ | পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ |
| ১৩। তামিল উপাসনা | ঃ | পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ |
| ১৪। মালায়ালম প্ৰাৰ্থনা সভা | ঃ | আবেলি ২.০০ দেওবাৰ |
| ১৫। তেলেগু উপাসনা | ঃ | আবেলি ৪.০০ দেওবাৰ |
| ১৬। হিন্দী উপাসনা | ঃ | আবেলি ৫.০০ দেওবাৰ |
| ১৭। ইংৰাজী আৰু তামিল সেৱা | ঃ | সন্ধ্যা ৬.০০ বজাত দেওবাৰ |
| ১৮। পালকসকলৰ পৰামৰ্শ | ঃ | আবেলি ৪.০০ বজাত দেওবাৰ |
| ১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা | ঃ | সন্ধ্যা ৫.৩০ বজাত বুধবাৰ |
| ২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন | ঃ | সন্ধ্যা ৬.৩০ বজাত বুধবাৰ |
| ২১। পুৰুষসকলৰ বিশেষ উপাসনা | ঃ | গধুলি ৭.০০ বজাত শুক্ৰবাৰ |
| ২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা | ঃ | সন্ধ্যা ৬.০০ বজাত শনিবাৰ |
| ২৩। গৃহ সভা | ঃ | সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ |
| ২৪। বিশেষ প্ৰভু ভোজ | ঃ | পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত |
| ২৫। পালকসকলৰ নিৰীক্ষণ সভা | ঃ | সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ |
| ২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা | ঃ | আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ |
| ২৭। নিশাৰ প্ৰাৰ্থনা | ঃ | গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ |
| ২৮। উপবাস প্ৰাৰ্থনা | ঃ | পুৱা ৯.৩০ তৃতীয় শনিবাৰ |
| ২৯। প্ৰভু ভোজ | ঃ | দ্বিতীয় দেওবাৰৰ উপাসনাত |
| ৩০। পুৱাৰ উপাসনা | ঃ | পুৱা ৫.৩০ বজাত দৈনিক |
| ৩১। কৰ্মচাৰী সকলৰ উপাসনা | ঃ | পুৱা ৯.০০ টা দৈনিক |
| ৩২। কাৰ্য্যালয় | ঃ | পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)। |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক !

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## মোৰ জীৱনত তেওঁৰ নিৰ্দেশনা আৰু সময়োচিত আয়োজন !

HIS GUIDANCE AND PROVIDENCE IN MY LIFE! **যিসকলে তেওঁক ভয় কৰে, তেওঁ সেই সকলো লোকৰ মনৰ ইচ্ছা পূৰ্ণ কৰে। -গীতমালা ১৪৫ঃ১৯**

১৯৮২ চনত প্ৰভু যীচুখ্ৰীষ্টই তেওঁৰ অনুগ্ৰহৰ দ্বাৰাই চেন্নাইৰ (মাদ্ৰাছ) চেপাক নামৰ মোৰ পৰিচৰ্য্যাৰ ঠাইত মোক এখন মণ্ডলী স্থাপন কৰাত সমৰ্থ কৰিলে। এই সূত্ৰপাতৰ পৰা আৰ্থিক অভাৱৰ লগতে এই অঞ্চলৰ খ্ৰীষ্টিয়ান বিৰোধী বন্ধুসকলৰ পৰা ঈৰ্ষা আৰু বিৰোধীতাৰ বাবে মণ্ডলীটিয়ে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ স্থানান্তৰ কৰা সমস্যাৰ সন্মুখীন হোৱাৰ অভিজ্ঞতা পাই আছিল।

অৱশেষত, আমি আমাৰ দেওবৰীয়া আৰাধনা উপাসনা এটা ঘৰৰ সৰু কোঠালিত আয়োজন কৰিছিলো য'ত এখন খিৰিকীও নাছিল। শ্ৰীজৰ্জ নামৰ ভাই এজন এই গৃহৰ মালিক আছিল।

এবাৰ দেওবৰীয়া আৰাধনা উপাসনা চলি থকাৰ সময়তে অপ্ৰত্যাশিতভাৱে আৰু অকস্মাতে প্ৰভুৱে মোক একেটা অঞ্চলতে আমাৰ গীৰ্জা উপাসনা চলাবৰ বাবে আমাৰ নিজৰ এখন ডাঙৰ ভৱন পাবলৈ মোৰ মনত বিশ্বাস কৰিবলৈ উদ্‌গালে। মণ্ডলীক এই বিষয়ে ক'বলৈ আৰু প্ৰাৰ্থনাৰ সহায় বিচাৰিবলৈকো প্ৰভুৱে মোক উদগালে। মই প্ৰভুৰ বাধ্য হ'লো আৰু উপাসনা চলি থকাৰ মাজতে মণ্ডলীক এই বিষয়ে ক'লো।

• মণ্ডলীত থকা লোকবিলাকে মোৰ কথা শুনি তেওঁবিলাকৰ বিদ্ৰূপ চাৱনিৰে মোক ঠাট্টা কৰিবলৈ আৰম্ভ কৰি দিছিল।

• তেওঁবিলাকে মোক প্ৰশ্ন কৰিলে "আমাৰ দৰিদ্ৰ আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি এটা সম্পত্তি ক্ৰয় কৰাটো সম্ভৱ হ'ব নে?"

• এইবিলাকৰ দ্বাৰাই, মই গুৰুতৰভাৱে বিভিন্ন বিভ্ৰান্তিকৰ পৰিস্থিতিৰ মাজত সোমাই পৰিছিলো। মই এনে এজন মানুহকো নাপালো যিজনে মোৰ বিশ্বাসৰ প্ৰত্যাহ্বানক গ্ৰহণ কৰিব পাৰিব। অৱশেষত সাধাৰণ জনতাই এই সমাধানৰ সৈতে শেষ কৰি ক'লে যে এই খ্ৰীষ্টিয়ান প্ৰচাৰকজনে এনে অগ্ৰহনীয় আৰু অবাস্তৱ কাহিনীবোৰ কৈ থকাৰ বাহিৰে তেওঁৰ আন কোনো কাম নাই।এইদৰে তেওঁলোকে মোক কোনো পধ্যে মানি নল'লে।

কিন্তু মই নিৰাশ হোৱা নাছিলো। পৰিৱৰ্তে, প্ৰভুৱে তেওঁত মোক শক্তিশালীৰূপে ভাৰসা ৰাখিবলৈ সান্ত্বনা দিলে আৰু তেওঁৰ অনুগ্ৰহক মোক দিলে, **যিজন আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধিকৰ্তা হয়** (ইব্ৰী ১২ঃ২)। প্ৰভুৱে তেওঁৰ বাক্যৰ সৈতে মোৰ হৃদয়ত প্ৰৱেশ কৰিলে, **"হে পোক যাকোব, হে ইস্ৰায়েল লোকসকল, ভয় নকৰিবা; যিহোৱাই কৈছে, "ময়েই তোমাক সহায় কৰিম" আৰু ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাই তোমাৰ মুক্তিদাতা। "চোৱা, মই তোমাক এক নতুন চোকা দাঁত থকা মৰণা মৰা যন্ত্ৰস্বৰূপ কৰিম; তুমি পৰ্বতবোৰ মৰণা মাৰি গুড়ি কৰিবা আৰু পাহাৰবোৰক তুঁহৰ দৰে কৰিবা।"** যিচয়া ৪১ঃ১৪, ১৫।

সেইদিনবোৰ অতিবাহিত হৈ গ'ল। মোৰ চাৰিওফালে থকা মানুহবিলাকৰ সন্মুখত ঈশ্বৰে মোক আশীৰ্বাদ কৰিলে আৰু যি ঠাইডোখৰক পাবলৈ ঈশ্বৰে মোক বিশ্বাস কৰিবলৈ সমৰ্থ কৰিছিল, সেই একে ধুনীয়া ঠাইডোখৰক পোৱাত ঈশ্বৰে মোক অনুগ্ৰহ কৰিলে।

কিন্তু ঠাইডোখৰ পোৱাৰ পাছত, মোৰ অঞ্চলৰ মানুহবিলাকে আশা কৰাৰ দৰে সম্পত্তিখিনি ক্ৰয় কৰিবলৈ মোৰ হাতত কোনো ধন নাছিল। মোৰ পৰিচিত সূত্ৰৰ পৰা মই সহায় ল'বলৈ চেষ্টা কৰিছিলো, কিন্তু মই আৰ্থিকভাৱে একেবাৰে দৰিদ্ৰ হোৱাৰ বাবে কোনোৱেও মোক সহায় কৰিবলৈ আগবাঢ়ি নাহিল। এই পৰিস্থিতিত, সেই সময়ত মই চৰকাৰী চাকৰি কৰি আছিলো, গতিকে চৰকাৰে মোৰ ব্যক্তিগত ঘৰ নিৰ্মাণৰ নামত মোৰ বাবে আগধন মঞ্জুৰ কৰিলে। এই লক্ষ্যত উপনীত হ'বলৈ, ঈশ্বৰে শ্ৰী কানান নামৰ এজন অখ্ৰীষ্টিয়ান বন্ধু আৰু এজন খ্ৰীষ্টিয়ান বন্ধু শ্ৰী এম, পি, জেয়াকুমাৰক ব্যৱহাৰ কৰিলে। যীচুখ্ৰীষ্ট সকলো সময়তে ভাল। সকলো সময়তে যীচুখ্ৰীষ্ট ভাল। কি যে আচৰিত ঈশ্বৰ এজনা আছে! **যিহোৱা যে মঙ্গলময় তাক তোমালোকে আস্বাদান কৰি চোৱা**... গীতমালা ৩৪ঃ৮।

আনকি আজিও, যেতিয়া মই এই বাৰ্তা লিখি আছো, মই আপোনাক ক'ব পাৰো মোৰ জীৱনটো সম্পূৰ্ণ কঠিন আৰু প্ৰত্যাহ্বানেৰে ভৰি আছে। মোৰ দৈনন্দিন জীৱনত ঈশ্বৰে দিয়া পৰিচৰ্য্যাসমূহ, ১৬ টা ভাষাত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনী, বিল্লেকৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু ৩ টা ভাষাত প্ৰশিক্ষণ পাঠ্যক্ৰম, নহিমিয়া বাইবেল কলেজ, প্ৰতি দেওবাৰে কেন্দ্ৰ মণ্ডলীত ৭ টা আৰাধনা উপাসনা, ছেইণ্ট পৌল'চ মেট্ৰিকলেশ্বন স্কুল (গ্ৰাম্য হাই স্কুল), শুভবাৰ্তা ছপাশাল আৰু প্ৰশাসনিক কাৰ্য্যালয়সমূহ ইত্যাদি চলায় নিয়াত মোৰ দৈনন্দিন জীৱনত মই বহুত ধৰণৰ কষ্টৰ সন্মুখীন হৈছো আৰু অকথিত দুৰ্দশাত আছো।

মই আৰু বিভিন্ন ধৰণৰ অকথিত আৰু অপ্ৰকাশিত কষ্ট, প্ৰত্যাহ্বানবোৰ আৰু ব্যৰ্থতাবোৰ মোৰ পৰিচৰ্য্যামূলক আৰু প্ৰশাসনিক জীৱনত পায় আছো।

নিদ্ৰাহীন ৰাতিবিলাকৰ আৰু যি ৰাতিবিলাকত মই শুব নিবিচাৰো

সেই সকলোতে মোৰ অভিজ্ঞতা আছে। মই জানিলো যে কেৱল প্ৰভু যীচুখ্ৰীষ্টকে, অন্ধকাৰৰে, মন্দ হেঁচাবোৰ আৰু আশাহীনৰ সৈতে ঢকা পৃথিৱীত এজন বিশ্বাসী, যোগ্য আৰু এজন সত্য বন্ধুৰূপে গণ্য কৰিব পৰা যায়। কিয়নো মই তেওঁৰ নিৰ্দেশনা আৰু নিৰাপত্তাক মোৰ জীৱনত পাইছো। তলত দিয়া ধৰ্মগীতটিৰ শাৰীকেইটা হৈছে মোৰ অভিজ্ঞতা ঃ

**ঘেৰি ৰখা অন্ধকাৰৰ মাজত, দয়ালু পোহৰ, মোক চলোৱা,**
**তুমি মোক চলাই নিয়া।**
**ৰাতিটো আন্ধাৰ হৈছে আৰু মই ঘৰৰ পৰা বহুত দূৰৈত আছো, মোক চলোৱা!**
**মোৰ ভৰিক ধৰি ৰাখা; সেই দূৰৈৰ চিন চাবলৈ মই বিচৰা নাই; এটাই খোজ মোৰ বাবে যথেষ্ট হ'ব।**

মই জানো মোৰ দৈনন্দিন জীৱনত পৰীক্ষা আৰু কষ্টবোৰৰে পূৰ্ণ হৈ আছে। কিন্তু মই নিশ্চিত যে যেতিয়া মই এই পৃথিৱীত মোৰ কাৰ্য্য সম্পূৰ্ণ কৰিম, স্বৰ্গীয় গৃহত মই প্ৰৱেশ কৰিম আৰু অধিকাৰ কৰিম আৰু প্ৰভু যীচুখ্ৰীষ্টক লগ পাম আৰু মুখামুখিকৈ তেওঁৰ সোণালী মুখখনক সাৱটি ধৰিম আৰু এই পৃথিৱীৰ অভিজ্ঞতাৰ বিষয়ে ক'ম। মই সেই আচৰিত দিনটোলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছো। সেইদিন মহান দিন হ'ব! সেইদিন আটাইতকৈ আশীৰ্বাদপ্ৰাপ্ত দিন হ'ব!!

**প্ৰিয় বন্ধু, তেনে আশা আৰু আগ্ৰহ আপোনাৰো আছে নে?**

❖❖❖❖❖

*....Contd. from page 6*

যে তেওঁৰ ৰখিলৈ কি ঘটিব, গতিকে তেওঁ দূৰৈৰ পৰা যীচুক অনুসৰণ কৰিবলৈ সিদ্ধান্ত ল'লে।

আপুনিও পিতৰৰ দৰে, যীচুখ্ৰীষ্টক দূৰৈৰ পৰা অনুসৰণ কৰি আছেনে? হয়তো আপুনি ভাবিব পাৰে যে, 'যেতিয়া মই ঈশ্বৰৰ ঘনিষ্টত চলিম, মোৰ দায়িত্বটো বেছি হ'ব, গতিকে আঁতৰত থাকি চলিলে ভাল হ'ব।" আমাৰ কিছুমানে গীৰ্জালৈ যায়, কিন্তু মণ্ডলীত জড়িত হ'ব নিবিচাৰে, আনকি আমাৰ কিছুমানে গীৰ্জালৈ যাবলৈকো নিবিচাৰে আৰু কিছুমানে বৰং ঘৰতে থাকি প্ৰাৰ্থনা কৰিব বিচাৰে। আমাৰ কিছুমানে অভাৱৰ সময়ত যীচুখ্ৰীষ্টৰ লগত কথা পাতিব, নহ'লে তেওঁৰ বাবে আমাৰ সময় নাই।

আজি মই আপোনাক উৎসাহ দি ক'ব বিচাৰো যীচু খ্ৰীষ্টক দূৰৈৰ পৰা অনুসৰণ নকৰিব; তেওঁৰ কাষ চাপি চলি যাওক। তেওঁ এই পৃথিৱীলৈ মানুহক ঈশ্বৰৰ লগত লগ লগাই দিবলৈ আহিছিল। এই বিশেষ উদ্দেশ্যৰে ক্ৰুচীয় মৃত্যুবৰণ কৰিছিল আৰু তৃতীয় দিনাত পুনৰ উঠিলে। আশাহীন পৰিস্থিতিত আমাক আশা দিবলৈ, ধুমুহাৰ মাজত আমাক শান্তি দিবলৈ, আমাক প্ৰেম দিবলৈ, আনকি যেতিয়া আমি ভাবো যে আমি প্ৰেম পোৱাৰ যোগ্য নহওঁ। ৰোমীয়া ৮ঃ৩২ পদে কয়, **যিজনে নিজৰ পুত্ৰকো মৰম নকৰি, আমাৰ আটাইৰে কাৰণে তেওঁক শোধাই দিলে, সেইজনে আমাক অনুগ্ৰহ কৰি তেওঁৰ সৈতে সকলো নিদিবনে?** তেওঁক জনাওক, তেওঁ আপোনাক সকলো বস্তুবোৰক দিবলৈ ইচ্ছা কৰিছে।

প্ৰতিদিনে তেওঁৰ সৈতে কথা পাতক, তেওঁৰ বাক্য অধ্যয়ন কৰক। যদি আপুনি তেওঁৰ মাত শুনাৰ অভিজ্ঞতা নাই, আজিয়েই তেওঁক খোজক, এই প্ৰাৰ্থনাটো কৰক "প্ৰভু মই আপোনাক ঘনিষ্ঠতাৰে অনুসৰণ কৰিব বিচাৰিছো, আতৰে আতৰে নাথাকো; প্ৰভু মোলৈ কথা পাতা। মোক তোমাক স্বৰ শুনিবলৈ দিয়া। মোক সহায় কৰা প্ৰভু আৰু কেৱল শুনিবলৈ নহয়, কিন্তু তুমি কোৱাৰ দৰে কৰিবলৈ দিয়া, আমেন।"

প্ৰভু ঈশ্বৰে আপোনাক ঘনিষ্ঠ সহকাৰে তেওঁৰ লগত চলি যাবলৈ সহায় কৰক কিন্তু আতৰে আতৰে থাকিবলৈ নহয়!

❖❖❖❖❖


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ECHO OF HIS CALL 1969-2019 REACHING NATIONS

ATA Regd. Candidate for Membership NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা | জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th JULY 2023**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**


***JESUS LOVES YOU!***

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**